# 16th Round of India-Israel Foreign Office Consultations

December 07, 2020

---

# ভাৰত-ইজৰাইল বিদেশ কাৰ্যালয় আলোচনাৰ 16তম সংস্কৰণ

ডিচেম্বৰ 07, 2020

1. ভাৰত-ইজৰাইল বিদেশ কাৰ্যালয় আলোচনাৰ 16তম সংস্কৰণ ভিডিও কনফাৰেন্সৰ যোগেদি 7 ডিচেম্বৰ 2020 তাৰিখে অনুষ্ঠিত কৰা হয়। ইয়াৰ নেতৃত্ব কৰে শ্ৰী সঞ্জয় ভট্টাচাৰ্য্য, সচিব (চি পি ভি আৰু অ' আই এ) আৰু ইজৰাইল বিদেশ বিষয়ক মন্ত্ৰালয়ৰ পৰিচালক প্ৰধান, মিঃ এলন উছপিজে।

2. দুয়ো পক্ষই বিস্তৃতভাৱে নিৰীক্ষণ কৰে অব্যাহত সহযোগিতাৰ, বিশেষকৈ প্ৰতিৰক্ষা আৰু সুৰক্ষা, সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ, চাইবাৰ সুৰক্ষা, আদিৰ  কৌশলগত ক্ষেত্ৰ আৰু লগতে আন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ যেনে পানী আৰু কৃষি, বিজ্ঞান আৰু প্ৰযুক্তি, উদ্ভাৱন আৰু ষ্টাৰ্ট-আপ, শক্তি, শিক্ষা সহযোগিতা, বাণিজ্য আৰু পাৰস্পৰিক বিনিয়োগ আগবঢ়োৱাৰ ওপৰত।

3. যুটীয়াকৈ বিকাশ কৰা কৃষি উন্নয়ন কেন্দ্ৰ, বুণ্ডেলখণ্ড অঞ্চলত পানী সংৰক্ষণৰ পাইলট প্ৰকল্প, আৰু আহ্মেদাবাদ স্থিত ইন্টাৰনেচনেল চেন্টাৰ ফৰ এণ্ট্ৰেপ্ৰেনিউৰশ্বীপ এণ্ড টেকন'লজি (আই ক্ৰিয়েট) আৰু ইজৰাইলৰ ষ্টাৰ্টআপচ নেশ্বনচ চেণ্ট্ৰেলৰ (এছ এন চি) মাজৰ সহযোগ উন্নত প্ৰযুক্তিৰ সহ-গঠনৰ বাবে সমৰ্থনে বিশেষভাৱে প্ৰশংসা পায়।

4. দুয়ো পক্ষই ভাৰত-ইজৰাইল গৱেষণা আৰু বিকাশ আৰু প্ৰযুক্তি উদ্ভাৱন পুজি (আই 4 এফ) আৰু বিশ্ববিদ্যালয় অনুদান কমিশ্বন (ইউ জি চি) - ইজৰাইল বিজ্ঞান ফাউণ্ডেশ্বন (আই এছ এফ) পুজিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে যুটীয়া অধ্যয়ন আৰু বৈজ্ঞানিক গৱেষণা কাৰ্য আগবঢ়োৱাত।

5. কোভিড-19 মহামাৰীৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে নিজ নিজ ৰাষ্ট্ৰীয় উপায় আৰু চিকিৎসা আৰু পৰীক্ষা উপাদান গৱেষণাত অব্যাহত সহযোগিতাৰ ওপৰত আলোচনা কৰা হয়।

6. দুয়ো পক্ষই পাৰস্পৰিক ৰুচিৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত গভীৰ আলোচনা কৰে।

7. তেওঁলোকে মান্তি হয় এই সম্পৰ্কৰ ওপৰ গতি অব্যাহত ৰখাৰ গুৰুত্বৰ নিয়মীয়া ভ্ৰমণ আৰু আলোচনাৰ যোগেদি, আৰু বিদেশ কাৰ্যালয়ৰ আলোচনাৰ আগন্তুক সংস্কৰণ এক পৰস্পৰ সুবিধাজনক তাৰিখত অনুষ্ঠিত কৰিবলৈ নিৰ্ণয় লয়।

**নতুন দিল্লী**
**ডিচেম্বৰ 07, 2020**

**DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**